PART - V : Language - I (Optional)

দৰকাৰী ঃ এই অংশৰ **ভাষা**-I-ত অসমীয়া, বঙালী, বড়ো, গাৰো, হিন্দী, মাৰ, নেপালী, মণিপুৰি আৰু কাৰ্বি - প্ৰতিটো ভাষাৰ 30 টাকৈ প্ৰশ্ন আছে । পৰীক্ষাৰ্থীসকলে আৱেদন পত্ৰ আৰু **OMR** উত্তৰ-পত্ৰৰ **ভাষা**-I-ত উল্লেখ কৰা ভাষাৰ প্ৰশ্নবিলাকৰ উত্তৰ দিব লাগিব ।

দরকারী ঃ এই ভাগের **ভাষা**-I-এ অসমীয়া, বাংলা, বড়ো, গারো, হিন্দী, মার, নেপালী, মণিপুরি এবং কার্বি - প্রতিটি ভাষার 30টি করে প্রশ্ন আছে । পরীক্ষার্থীদের আবেদন পত্রে এবং **OMR** উত্তর-পত্রের **ভাষা**-I তে উল্লেখ করা ভাষায় প্রশ্নগুলির উত্তর দিতে হবে ।

নায়নো গোনাং : বাথি বাহাগোযাব **রাব** –I নি অসমীয়া, বাংলা, বর', গারো, হিন্দী, মার, নেপালী, মণিপুরী আরো কার্বী – জাযখি–জাযা মোনসেনি মোন 30 সোঁথি থাগোন। জাযফোর বিনাযসাযা আরজলাই আরো **OMR** ফিননায বিলাইনি রাব–I যাব মখ'নায রাবনি ফিন হোগোন।

महत्त्वपूर्ण : इस भाग के **भाषा** – I के लिए दिए गए विकल्पों में असमिया, बंगला, बोडो, गारो, हिन्दी, मार, नेपाली, मणिपुरी एवं कर्बी – प्रत्येक भाषा में 30 प्रश्न रहेगा। परीक्षार्थिओं ने आवेदन–पत्र और **OMR** उत्तर–पत्र में भाषा –I में जिस भाषा का उल्लेख किया है, उसी भाषा में उत्तर देना है।

Important : This Part contains **30** questions each in **Language - I,** for which the options are Assamese, Bengali, Bodo, Garo, Hindi, Hmar, Nepali, Manipuri and Karbi. Candidates should answer the questions for only that Language-I option which they have given in their Application Form and recorded in the OMR Answer-Sheet.

(A S S A M E S E)

121. হিউৱেন চাঙৰ মতে-'কামৰূপৰ ভাষা মধ্য ভাৰতীয় ভাষাতকৈ কিছু পৃথক' - ইয়াত উল্লিখিত 'কামৰূপৰ ভাষা' বুলি তেওঁ অসমৰ কোনটো ভাষাৰ কথা ক'ব বিচাৰিছে ?
(A) ৰাভা (B) বড়ো (C) অসমীয়া (D) তিৱা

122. নিম্নলিখিত সৰ্গকেইটাৰ পৰা পুৰুষবাচক বিভক্তিৰ চিন নিৰ্ণয় কৰা।
(A) অন (B) অনি (C) ৰী (D) ওঁ

123. নিম্নলিখিত কোনটো কৃৎ প্ৰত্যয়ৰ উদাহৰণ ?
(A) নামতী (B) ফুলতী (C) ফুলাম (D) ৰান্ধনী

124. নিম্নলিখিত কোনটো স্ত্ৰী প্ৰত্যয়ৰ উদাহৰণ ?
(A) মাইকী (B) অন (C) অক (D) ৰী

125. নিম্নলিখিত কোনবিধ কাৰকৰ প্ৰতিবন্ধকত উপভাষা সৃষ্টি হ'ব পাৰে ?
(A) ভৌগোলিক (B) সাংস্কৃতিক (C) সামাজিক (D) ওপৰৰ আটাইকেইটা

126. অসমীয়া ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন হ'ল :
(A) বিহুগীত (B) শ্ৰীকৃষ্ণ কীৰ্ত্তন (C) চৰ্যাগীত (D) বৰগীত

127. তলৰ কোনটো ক্ৰিয়াবাচক খণ্ডবাক্যৰ উদাহৰণ ?
(A) কঁকাল পৰ (B) গাখীৰতে মহৰ খুঁটি (C) ঘৰ গোনা (D) চকুত লগা

128. কোনখন কাব্য সংকলনৰ বাবে নিৰ্মলপ্ৰভা বৰদলৈয়ে ১৯৮৩ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ?
(A) সুদীৰ্ঘ দিন আৰু ৰাতি (B) বন ফৰিঙৰ ৰং
(C) সমীপেষু (D) দিনৰ পাছত দিন

129. এটা ভাষাত কেইটা উপভাষা থাকিব পাৰে ?
(A) দুটা (B) এটা (C) বহুতো (D) এটাও নাথাকে

130. নিম্নলিখিত কোনটো দ্বিস্বৰৰ উদাহৰণ ?
(A) কাম (B) যাম (C) অউ (D) ঘৰ

131. শংকৰদেৱৰ 'গুণমালা' পুথিখন কি ছন্দত ৰছিত ?
(A) মিত্রাক্ষৰ (B) অমিত্রাক্ষৰ (C) মুক্তক (D) কুসুমমালা

132. 'সত্যপ্রিয় পাঠক' কোনজন লেখকৰ ছদ্মনাম ?
(A) সৌৰভ কুমাৰ চলিহা (B) নীলমণি ফুকন
(C) ভৱেন্দ্রনাথ শইকীয়া (D) হিতেশ্বৰ বৰবৰুৱা

133. অসমীয়া ভাষাৰ 'বর্ণ' আৰু 'আখৰ'ৰ মাজত পার্থক্য আছেনে ?
(A) আছে (B) নাই (C) দুয়োটাই শুদ্ধ (D) এটাও শুদ্ধ নহয়

134. নিম্নলিখিত কোনটো ণত্ব-বিধিৰ ফলত সৃষ্ট শব্দ ?
(A) নিপুণ (B) বাণিজ্য (C) কণ (D) পৰায়ণ

135. তলৰ কোনটো উপাদান শিক্ষকে শিশুৰ শ্রৱণ দক্ষতা আয়ত্ত আৰু বৃদ্ধিৰ বাবে প্রয়োগ কৰিব পাৰে ?
(A) ওমলা গীত (Nursery Rhymes) (B) সাধুকথা (Story Telling)
(C) আবৃত্তি, বক্তৃতা আদি (D) ওপৰৰ আটাইকেইটা

136. নীৰৱ পঠন :
(A) শুদ্ধ উচ্চাৰণ, শ্বাসাঘাত, সুৰ, সুৰলহৰ, বাক্যৰ লয় আৰু স্বৰবৈচিত্র অনুসৰি পঠন কৰা।
(B) যতি, বিৰাম, ছেদ চিহ্ন আৰু অর্থবহ শব্দৰ প্রতি যথাযথ গুৰুত্ব দি পঢ়া।
(C) অর্থবোধসহ প্রয়োজনীয় আবেগ দি পঢ়া।
(D) ওপৰৰ এটাও নহয়।

137. 'গাঁওবুঢ়া' নাটকৰ ৰচক হ'ল :
(A) লক্ষ্মীনাথ বেজবৰুৱা (B) হেমচন্দ্র গোস্বামী
(C) পদ্মনাথ গোহাঞিবৰুৱা (D) চন্দ্রকুমাৰ আগৰৱালা

138. তলৰ কোনটোক প্রাক্-শংকৰী যুগৰ সমল হিচাপে ধৰিব পাৰি ?
(A) প্রহ্লাদ চৰিত (B) শ্রীকৃষ্ণ কীর্ত্তন (C) চর্যাপদ (D) বৰগীত

139. 'দুবৰি বনৰ পাতৰ আঁৰত নিয়ৰে মুকুতা আঁৰে' - এই গীতটিৰ ৰচক কোন ?
(A) চন্দ্রকুমাৰ আগৰৱালা (B) পদ্মনাথ গোহাঞিবৰুৱা
(C) লক্ষ্মীনাথ বেজবৰুৱা (D) জ্যোতিপ্রসাদ বৰুৱা

140. শুদ্ধ ধাৰণাটো চিহ্নিত কৰা ঃ ছাত্র-ছাত্রীক পঢ়িবলৈ দিয়া অসমীয়া ভাষাৰ পাঠ্যপুথিত থকা আৱশ্যকীয় :
(A) শিক্ষকৰ বাবে বিশদভাৱে বর্ণিত পাঠ আঁচনি
(B) শিক্ষণ প্রণালীৰ ক্রমৰ নির্দেশ
(C) শিকা অভিজ্ঞতাৰ বাবে শৃংখলিত তথা সংগঠিত ইউনিট
(D) তথ্যৰ সুষমা প্রদর্শন

141. মাতৃভাষা শিক্ষণৰ উদ্দেশ্য হ'ল :

(A) অসমত অসমীয়া ভাষাৰ প্ৰচলনৰ জনসংখ্যা বৃদ্ধি কৰা।

(B) ভাষিক সচেতনতা বৃদ্ধি কৰা।

(C) মাতৃভাষা শিক্ষণৰ চাৰিটা কৌশল-শ্ৰৱণ, কথন, পঠন আৰু লিখনৰ দক্ষতা অৰ্জন কৰা।

(D) মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ বাবে শিক্ষক প্ৰস্তুত কৰা।

---

142. মাতৃভাষা হ'ল ব্যক্তিৰ :

(A) উপভাষা (B) প্ৰথম ভাষা (C) দ্বিতীয় ভাষা (D) এটাও নহয়

---

143. মাধৱদেৱৰ নামঘোষাক কোনজন ভাষাবিদে 'মহাপ্ৰাস্থানিক গীত' বুলি আখ্যা দিছে ?

(A) বাণীকান্ত কাকতি (B) দেবানন্দ ভৰালি (C) কনকলাল বৰুৱা (D) উপেন্দ্ৰনাথ গোস্বামী

---

144. নিম্নলিখিত কোনটো ব্যঞ্জন সন্ধিৰ উদাহৰণ ?

(A) যজ + ন = যজ্ঞ (B) দেৱ + আলয় = দেৱালয়

(C) সংগ্ৰহ + আলয় = সংগ্ৰাহালয় (D) এটাও নহয়

---

145. 'বীণ-ব'ৰাগী' আৰু 'প্ৰতিমা'ৰ ৰচক কোন ?

(A) লক্ষ্মীনাথ বেজবৰুৱা (B) পদ্মনাথ গোহাঞিবৰুৱা

(C) চন্দ্ৰকুমাৰ আগৰৱালা (D) হিতেশ্বৰ ৰৱবৰুৱা

---

146. পোনতে ব্যাকৰণৰ সংজ্ঞা বা সূত্ৰ আৰু নিয়ম উপস্থাপন কৰি তাৰ পিছত উপযুক্ত উদাহৰণ দি শিক্ষা দিয়াৰ অৰ্থ হ'ল - ছাত্ৰ-ছাত্ৰীক সূত্ৰ, সংজ্ঞাৰ পৰা উদাহৰণলৈ, অমূৰ্তৰ পৰা মূৰ্তলৈ আৰু সাধাৰণৰ পৰা বিশেষলৈ আগবঢ়াই নিয়া। এই শিক্ষাদান পদ্ধতিক কি বুলি কোৱা হয় ?

(A) আৰোহী পদ্ধতি

(B) ব্যাকৰণ পদ্ধতি

(C) ভেৰাকুতি স্মৰণ পদ্ধতি (Micicry Memorization Method)

(D) অৱৰোহী পদ্ধতি

---

147. নিম্নলিখিত কোনটো অসমীয়া ভাষাৰ অঘোষ অল্পপ্ৰাণ ধ্বনিৰ উদাহৰণ ?

(A) ব (B) ত (C) দ (D) গ

---

148. তলৰ কোনটো ভাষা পৰিয়ালৰ পৰা অসমীয়া ভাষা জন্ম হৈছে ?

(A) অষ্ট্ৰিক (B) ইন্দো-ইউৰোপীয় (C) দ্ৰাবিড় (D) এটাও নহয়

---

149. ৰৰগীতক কোনজন পণ্ডিতে 'noble numbers' বুলি কৈছিল ?

(A) বাণীকান্ত কাকতি (B) মহেশ্বৰ নেওগ (C) কালিৰাম মেধি (D) উপেন্দ্ৰনাথ গোস্বামী

---

150. নিম্নলিখিত কোনখন গ্ৰন্থ মাধৱদেৱৰ তত্ত্বমূলক ৰচনা ?

(A) কোটোৰা খেলা (B) চোৰ-ধৰা পিম্পৰা গুচোৱা

(C) ভোজন বেহাৰ (D) জন্ম ৰহস্য
